# অনুষ্ঠান পত্ৰ
# PROSPECTUS

## ঘনকান্ত বৰা মহাবিদ্যালয়, তামূলীছিগা
## GHANA KANTA BORAH COLLEGE, TAMULICHIGA




**NAAC Accredited**
**Grade B**
( CGPA 2.31 In First Cycle )

**2026-27**

Provincialised Degree College
Affiliated to Dibrugarh University
Recognised under 2 (f) of UGC Act

Website: www.gkbctamulichiga.in
E-mail: gkbcollege3@gmail.com
Phone: 91015 42752

**অধ্যক্ষৰ মেজৰ পৰা ...**

জয় জয়তে এটা নতুন যাত্ৰাৰ আৰম্ভণিত ঘনকান্ত বৰা মহাবিদ্যালয়, তামূলীছিগাৰ সন্মানীয় পৰিয়াললৈ আপোনালোক সকলোকে আন্তৰিক সম্ভাষণ জনাইছোঁ। যোৰহাট জিলাৰ অন্তৰ্গত শিমলুগুৰি আৰু জকাইচুক মৌজাৰ সংগমস্থল তামূলীছিগাৰ পবিত্ৰ ভূমিত অৱস্থিত এই মহাবিদ্যালয় পৰিয়ালৰ অংশ হ'বলৈ পাই মই অতিশয় আনন্দিত, গৌৰৱান্বিত আৰু দায়িত্ববোধ অনুভৱ কৰিছোঁ। এই মহাবিদ্যালয়ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰা মুহূৰ্তৰ পৰা এই শিক্ষানুষ্ঠানখনৰ সুদীৰ্ঘ ঐতিহ্য, শৈক্ষিক শৃংখলা আৰু সমাজমুখী দৃষ্টিভংগীয়ে মোক বিশেষভাৱে অনুপ্ৰাণিত কৰিছে।

১৯৮৩ চনৰ ৭ নৱেম্বৰত কেইগৰাকীমান বিদ্যানুৰাগী আৰু সমাজহিতৈষী ব্যক্তিৰ দূৰদৰ্শিতা, আন্তৰিকতা আৰু অক্লান্ত সাধনাৰ ফলস্বৰূপে প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়খনে ২০২১ চনত প্ৰাদেশিকীকৰণৰ মৰ্যদা লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থায়ী স্বীকৃতি লাভ কৰাৰ পিছৰে পৰা শিক্ষানুষ্ঠানখনে শৈক্ষিক উৎকৰ্ষৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশত সুদৃঢ় ভূমিকা পালন কৰি আহিছে।

প্ৰিয় শিক্ষাৰ্থীসকল, আপোনালোকৰ বাবে এই মহাবিদ্যালয় হৈছে এক নতুন যাত্ৰাৰ আৰম্ভণি—এনে এক ক্ষেত্ৰ, য'ত শিক্ষা কেৱল পাঠ্যপুথিৰ মাজত সীমাবদ্ধ নহয়; বৰং ই আত্ম-আৱিষ্কাৰ, দক্ষতা বিকাশ, উদ্ভাৱনী চিন্তাধাৰা আৰু সমাজৰ প্ৰতি ইতিবাচক অৱদানৰ এক সুদৃঢ় পথ। আজিৰ দ্ৰুত পৰিৱৰ্তনশীল বিশ্বত শিক্ষা হৈছে জীৱন গঢ়াৰ শক্তিশালী মাধ্যম, আৰু আমাৰ লক্ষ্য হৈছে আপোনালোকক কেৱল শৈক্ষিকভাৱে সফল কৰাই নহয়, আত্মবিশ্বাসী, দায়িত্বশীল, সৃষ্টিশীল আৰু দূৰদৰ্শী নাগৰিক হিচাপে গঢ়ি তোলা।

আমাৰ মহাবিদ্যালয়ত নিয়মীয়া পাঠ্যক্ৰমৰ লগতে গৱেষণা, সাংস্কৃতিক চৰ্চা, ক্ৰীড়া, নেতৃত্ব বিকাশ, কম্পিউটাৰ প্ৰশিক্ষণ, NCC, NSS, ডিজিটেল উপস্থিতি ব্যৱস্থা, প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি আদিৰ সুবিধা আগবঢ়োৱা হয়। আমি বিভিন্ন দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক নিয়মীয়া অধ্যয়ণৰ লগতে আয় উপাৰ্জনৰ সুযোগ প্ৰদানৰ প্ৰচেষ্টা গ্ৰহন কৰিছোঁ। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলে বিদ্যায়তনিক জ্ঞানৰ উপৰিও ব্যৱহাৰিক জ্ঞানৰ জৰিয়তে ভৱিষ্যতে নিয়োগ লাভ কৰি যাতে আন বহুজনক নিয়োজিত কৰিব পাৰে তাৰ লক্ষ্য লোৱা হৈছে।

শেষত, অধ্যক্ষ হিচাপে আপোনালোক সকলোলৈকে এটি প্ৰতিশ্ৰুতি আগবঢ়াইছো যে ঘনকান্ত বৰা মহাবিদ্যালয়, তামূলীছিগাৰ সমূহ শিক্ষক-কৰ্মচাৰীয়ে আপোনালোকৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰি উপযুক্ত মানৱ সম্পদ হিচাপে গঢ় দিয়াৰ দায়বদ্ধতা গ্ৰহণ কৰিব।

**ড° ৰঞ্জিত কুমাৰ গাম**
**অধ্যক্ষ**
**ঘনকান্ত বৰা মহাবিদালয়, তামুলীছিগা**

পৰিচয় : যোৰহাট জিলা আৰু শিৱসাগৰ জিলাৰ শিমলুগুৰি আৰু জকাইচুক মৌজাৰ সংগমস্থল তামুলীছিগাত ঘনকান্ত বৰা মহাবিদ্যালয় অৱস্থিত। যোৰহাট জিলাৰ পূব প্ৰান্তৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা হাঁহচৰা সংযোগী ললিত চন্দ্ৰ ৰাজখোৱা পথেৰে প্ৰায় ছয় (৬) কিলোমিটাৰ দূৰত্বত এই মহাবিদ্যালয়খন অৱস্থিত। কেইজনমান বিদ্যানুৰাগী আৰু সমাজ সচেতক ব্যক্তিৰ প্ৰচেষ্টাত ১৯৮৩ চনত প্ৰতিষ্ঠিত হোৱা আৰু বিশিষ্ট শিক্ষাবিদ প্ৰয়াত ঘনকান্ত বৰাদেৱৰ নামেৰে নামকৰণ কৰা এই মহাবিদ্যালয়খনিয়ে ইতিমধ্যে গৌৰৱোজ্জ্বল ৪৩ সংখ্যক বৰ্ষত ভৰি দিছে। গত ২০২১ বৰ্ষত অসম চৰকাৰে মহাবিদ্যালয়খনি চৰকাৰীকৰণ কৰি বৃহৎ অঞ্চলটোৰ ৰাইজৰ বহু আকাংক্ষিত প্ৰত্যাশা পূৰণ কৰিছে। জন্মলগ্নৰে পৰা বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে মহাবিদ্যালয়খনিয়ে ছাত্ৰ-ছাত্ৰীসকলক নিৰৱচ্ছিন্নভাবে জ্ঞানৰ পোহৰ বিলোৱাৰ প্ৰচেষ্টা কৰিছে আৰু সেই অনুক্ৰমে মহাবিদ্যালয়ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ অধীনত চূড়ান্ত পৰীক্ষাসমূহত মহাবিদ্যালয়ৰ গৰিমা অক্ষুণ্ণ ৰাখি জিলিকি উঠিবলৈ সক্ষম হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ২০১৬ চনত স্থায়ী স্বীকৃতি লাভ কৰা মহাবিদ্যালয়খনিয়ে বিশ্ববিদ্যালয়ৰ নিৰ্ধাৰিত পাঠ্যক্ৰমৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে নৈতিক, আধ্যাত্মিক, সামাজিক বিকাশ তথা বৃত্তিমূলক পাঠ্যক্ৰমৰ সংযোজন কৰিছে। সদ্য প্ৰাদেশীকৃত মহাবিদ্যালয়খনিয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ কাৰ্য্যকৰীকৰণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে উচ্চ শিক্ষাৰ নিয়ন্ত্ৰক সংস্থা বিশ্ববিদ্যালয়ৰ অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) আদিয়ে নিৰূপন কৰা নীতি নিৰ্দেশনা অনুসৰি কাৰ্য্যসমূহ আগবঢ়াই নিয়াৰ প্ৰয়াস কৰিছে। মহাবিদ্যালয়খনিয়ে ২০২৩ বৰ্ষত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC) দ্বাৰা গুণগত মানদণ্ডৰ পৰীক্ষা কৰাইছে আৰু প্ৰথম পৰ্যায়তে 2.31 CGPA সহ Grade-B পাবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়খনিয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত সকলো মান ৰক্ষা কৰি অসমৰ শৈক্ষিক ক্ষেত্ৰখনত স্থিতি লাভ কৰিবলৈ স্থানীয় জনসাধাৰণ, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা শুভাকাংক্ষীৰ সহায় সহযোগিতা, আন্তৰিকতা মহাবিদ্যালয়ৰ পৰিয়ালৰ কাম্য ।

লক্ষ্য / উদ্দেশ্য :

ঘনকান্ত বৰা মহাবিদ্যালয়, তামূলীছিগাৰ প্ৰতিষ্ঠাৰ মূল লক্ষ্য হ'ল সমাজৰ অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা প্ৰদান কৰি সমাজৰ একোজন সুনাগৰিক হিচাপে গঢ়ি তোলা। ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ কেন্দ্ৰৰূপে মহাবিদ্যালয়খনক প্ৰতিষ্ঠা কৰাটো ইয়াৰ অন্যতম লক্ষ্য।

ছাত্ৰ -ছাত্ৰীসকলৰ নৈতিক চৰিত্ৰ গঠন, মানসিক, আধ্যাত্মিক বিকাশ সাধনৰ অৰ্থে প্ৰয়োজনীয় সকলো সুযোগ সুবিধা প্ৰদান কৰাটো মহাবিদ্যালয়ৰ প্ৰধান উদ্দেশ্য। ইয়াৰ জৰিয়তে যাতে ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ কল্যাণ সাধন কৰিব পাৰে।

## মহাবিদ্যালয়ৰ সাধাৰণ আৰু প্ৰশাসনিক নিয়মাৱলী

১) ৰেগিং সম্পূৰ্ণৰূপে নিষিদ্ধ।
২) যিকোনো নিচাজাতীয় দ্ৰব্য মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত নিষিদ্ধ।
৩) নিয়মানুৱৰ্তিতা, সজ আচৰণ, শিষ্টাচাৰ ছাত্ৰ-ছাত্ৰীয়ে মানি চলিব লাগিব।
৪) মহাবিদ্যালয়ৰ সম্পত্তি ধ্বংস কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।
৫) মহাবিদ্যালয়লৈ নিৰ্দিষ্ট পোছাক পৰিধান কৰি অহাটো বাধ্যতামূলক।
৬) চেমিনাৰ, গ্ৰুপ ডিচ্‌কাচন, এচাইন্‌ট্‌মেন্ট সমূহ সময়মতে সম্পূৰ্ণ কৰাটো বাধ্যতামূলক।
৭) মহাবিদ্যালয়ৰ চৌহদত শৈক্ষিক কাৰণতহে ম'বাইল ফোনৰ ব্যৱহাৰ গ্ৰহণযোগ্য হ'ব।
৮) মহাবিদ্যালয়ৰ চৌহদত শালীনতা তথা পৰিষ্কাৰ পৰিচ্ছন্নতা অক্ষুণ্ণ ৰখাটো বাধ্যতামূলক।
৯) পুথিভঁৰালৰ ভিতৰত যাৱতীয় নীতি-নিয়ম আৰু অনুশাসন মানি চলাটো বাধ্যতামূলক।

## ছাত্ৰ-ছাত্ৰীসকলৰ কৰণীয় : (Programme Registration)

১) ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিষয়সমূহ সঠিকভাবে উল্লেখ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত নাম পঞ্জীয়ন (Registration) কৰিব লাগিব।
২) মহাবিদ্যালয়ত দিয়া ছাত্ৰ-ছাত্ৰীৰ তথ্য অনুসৰিহে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পঞ্জীয়ন কৰিব। যিকোনো পৰিস্থিতিতে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ সাল-সলনি কৰিব নোৱাৰিব। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে অনলাইন মাধ্যমেৰে তথ্য জমা দিওঁতে সাৱধানতা অৱলম্বন কৰাটো উচিত।

## মহাবিদ্যালয়ৰ নিৰ্ধাৰিত পোছাক (College Uniform )



ল'ৰা : পাতল বেঙুনীয়া ৰঙৰ চাৰ্ট আৰু ক'লা পেন্ট

ছোৱালী : পাতল বেঙুণীয়া ৰঙৰ ব্লাউজ, মুগা ৰঙৰ মেখেলা, বেঙুনীয়া পাৰীৰ বগা চাদৰ (মাজত ফুল নথকা), পাতল বেঙুনীয়া ৰঙৰ কুৰ্ত্তা, বগা ৰঙৰ পাইজামা, বগা দুপাত্তা (চূৰ্ণী)

## চৰকাৰী বৃত্তি (Scholarship)

SC, ST, OBC/MOBC আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী জলপানি (Scholarship)ৰ সুবিধা লাভ কৰিব। মেধা ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ Ishan Uday আঁচনি আদিৰ সুবিধা লাভ কৰিব পাৰিব।

মেধাৱী কিন্তু আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে উৎসাহমূলক সাহায্য (Award) উপলব্ধ। মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰতিবছৰে এনে ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি আহিছে।

## পৰিচয় পত্ৰ (Identity Card)

সকলো ছাত্ৰ-ছাত্ৰীকে একোখনকৈ মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ প্ৰদান কৰা হয়।

## সহ কাৰ্য্যকলাপঃ (Co Activity)

ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি তলত উল্লেখিত কাৰ্য্যকলাপসমূহ কৰা হয়-
●ৰাষ্ট্ৰীয় সেৱা আঁচনি (National Service Scheme-NSS)
●বহিঃক্ৰীড়া বিভাগ আৰু আন্ত:ক্ৰীড়া বিভাগ (Outdoor and Indoor games)
●সংগীত, নাটক আৰু অন্যান্য সাংস্কৃতিক কাৰ্য্যাৱলী
●সাহিত্য সম্বন্ধীয় কাৰ্য্যাৱলী ( Literary activities)
●শিক্ষামূলক ভ্ৰমণ আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন (Educational Excursions and Field Studies)
●ছেমিনাৰ আৰু গ্ৰুপ ডিচ্‌কাচন (Seminars and Group Discussions )
●কৰ্মশালা (Workshops)
●সমাজসেৱা (Social Service activities )
●বৰ্ধিত কাৰ্য্যসূচী (Entension activities)
● ৰাষ্ট্ৰীয় কেডেট ক’ৰ (NCC) ল’ৰা আৰু ছোৱালী উভয়ৰে





## ৰাষ্ট্ৰীয় সেৱা আঁচনি National Service Scheme - NSS

ৰাষ্ট্ৰীয় সেৱা যোজনা (National Service Scheme) হৈছে এক সামাজিক সেৱামূলক কাৰ্যসূচী, যাৰ মূল লক্ষ্য হ'ল “Not Me, But You” আদৰ্শৰ মাধ্যমেৰে শিক্ষাৰ্থীৰ ব্যক্তিত্ব বিকাশ কৰা। আমাৰ মহাবিদ্যালয়ৰ NSS গোটে বিভিন্ন সামাজিক কাৰ্যসূচী যেনে স্বচ্ছতা অভিযান, স্বাস্থ্য শিবিৰ, বৃক্ষৰোপণ, যোগ আৰু বিভিন্ন সচেতনতা কাৰ্যসূচী আয়োজন কৰি আহিছে। NSS-ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তোলে আৰু দায়িত্বশীল নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ সক্ষম হয়।

## গ্ৰন্থাগাৰ (Library)

• মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালত পৰ্যাপ্ত পৰিমাণৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত, প্ৰসংগ পুথি আৰু অন্যান্য বহুমূলীয়া গ্ৰন্থ উপলব্ধ।
• পুথিভঁৰালত Book Bankৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ সম্পূৰ্ণ কিতাপ যোগান ধৰাৰ ব্যৱস্থা।
• মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালৰ উপৰিও বিভাগীয় পুথিভঁৰালৰ ব্যৱস্থা উপলব্ধ।

## আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা (Magazine)

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক আলোচনী 'জিকেবিয়ান' আৰু অসমীয়া বিভাগৰ বিভাগীয় বাৰ্ষিক আলোচনী 'গুঞ্জন' প্ৰকাশ কৰা হয়

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'লুইত'ৰ উপৰিও বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহ হৈছে বুৰঞ্জী বিভাগ-'কাৰেং', ইংৰাজী বিভাগ-'Arcadia',
ৰাজনীতি বিজ্ঞান বিভাগ- 'ফ্ৰীডম', অসমীয়া বিভাগ- 'জ্ঞানমালিনী', সমাজতত্ত্ব বিভাগ-'খোজ, অৰ্থনীতি বিজ্ঞান বিভাগ- 'উত্তৰণ', শিক্ষাতত্ত্ব বিভাগ-'বৰ্ণাভ'।

## অন্যান্যঃ

প্ৰেক্ষাগৃহ (Auditorium) : মহাবিদ্যালয়ৰ অনুষ্ঠান আদি অনুষ্ঠিত কৰিবৰ বাবে উপযুক্ত সুবিধাৰ প্ৰেক্ষাগৃহ তথা মঞ্চৰ ব্যৱস্থা আছে।
কেন্টিন (Canteen) : মহাবিদ্যালয়ৰ চৌহদত কেন্টিনৰ ব্যৱস্থা আছে।
পাৰ্কিং (Parking) : চৌহদৰ ভিতৰত বাহন ৰখোৱাৰ ব্যৱস্থা আছে।
পাঠদান (Teaching) : পাৰম্পৰিক ধৰণেৰে আৰু আধুনিক প্ৰযুক্তি (LCD Projector, Smart TV)ৰে পাঠদানৰ ব্যৱস্থা। Online আৰু Offline দুয়োটা মাধ্যমেৰে পাঠদানৰ ব্যৱস্থা উপলব্ধ।

## মহাবিদ্যালয়ৰ নৱতম সংযোজন

**কম্পিউটাৰ প্ৰশিক্ষণ:** মহাবিদ্যালয়ত আধুনিক শিক্ষাৰ সৈতে খাপ খুৱাই চৰকাৰী নিগম Assam Electronics Development Corporation Ltd. (AMTRON)ৰ অধীনত উন্নত মানৰ কম্পিউটাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ১৯৮৪ চনত প্ৰতিষ্ঠা কৰা অসম চৰকাৰৰ প্ৰতিষ্ঠান AMTRONএ উত্তৰ-পূৰ্বাঞ্চলত তথ্য প্ৰযুক্তি (IT) আৰু ইলেক্ট্ৰনিক্স খণ্ডৰ বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কাম কৰে। ছাত্ৰ-ছাত্ৰীসকলে ৰেহাই মূল্যত মৌলিক ডিজিটেল দক্ষতাৰ পৰা আৰম্ভ কৰি উন্নত তথ্য-প্ৰযুক্তি জ্ঞান আহৰণ কৰাৰ সুবিধা পাইছে। প্ৰশিক্ষণটো কৰ্মসংস্থানমুখী কৰি গঢ়ি তোলা হৈছে যাতে শিক্ষাৰ্থীসকলে ভৱিষ্যতৰ চাকৰি ক্ষেত্ৰত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

**NCC:** মহাবিদ্যালয়ত ছাত্ৰ আৰু ছাত্ৰী দুয়োৰে বাবে NCC (National Cadet Corps) সংযোজনৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মাজত শৃংখলা, নেতৃত্ব আৰু দেশপ্ৰেমৰ বোধ গঢ়ি তোলা হৈছে। NCC-ৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণে শিক্ষাৰ্থীসকলৰ শাৰীৰিক আৰু মানসিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে সামৰিক প্ৰশিক্ষণৰ প্ৰাথমিক জ্ঞান লাভ কৰাৰো সুযোগো পাইছে। তদুপৰি, এই ব্যৱস্থাই তেওঁলোকৰ ব্যক্তিত্ব বিকাশত বিশেষ সহায় আগবঢ়াইছে।

**ডিজিটেল উপস্থিতি ব্যৱস্থা:** মহাবিদ্যালয়ত শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ ডিজিটেল উপস্থিতি ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে শৈক্ষিক আৰু প্ৰশাসনৰ ক্ষেত্ৰত আধুনিকতা অনা হৈছে। এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ উপস্থিতি সঠিক আৰু স্বচ্ছভাৱে নথিভুক্ত কৰাত সহায় কৰিছে । ইয়াৰ ফলত মহাবিদ্যালয়ৰ সামগ্ৰিক শাসন ব্যৱস্থা অধিক সুসংগঠিত হৈছে।

**প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি:** ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু কৰিবলৈ বিশেষ প্ৰস্তুতি কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে অভিজ্ঞ শিক্ষকৰ তত্বাৱধানত শিক্ষাৰ্থীসকলৰ বাবে সপ্তাহত দুদিনকৈ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

**বয়নশিল্প প্ৰকল্প:** মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আৰু স্থানীয় মহিলা বয়ন শিল্পীৰ জৰিয়তে 'আৰ্থিক উন্নতি আৰু সমন্বিত আয় সৃষ্টি-ভিত্তিক অৰ্থনৈতিক সৱলীকৰণ প্ৰকল্প' আৰম্ভ কৰা হৈছে। ইয়াৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় মহিলাক বয়ন শিল্পৰ জৰিয়তে আৰ্থিকভাৱে সৱল কৰা আৰু মহাবিদ্যালয়ৰ এক স্থায়ী আয়ৰ উৎস সৃষ্টি কৰা। এই উদ্যোগে সমাজ আৰু শিক্ষাৰ মাজত এক সুন্দৰ সংযোগ স্থাপন কৰিছে।

**সঞ্জীৱনী যোগ কেন্দ্ৰ:** মহাবিদ্যালয়ত এক যোগ কেন্দ্ৰ স্থাপন কৰি মহাবিদ্যালয় আৰু নিকতবৰ্তী ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক সুস্থতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ৰাজ্যিক স্তৰৰ প্ৰশিক্ষকৰ তত্বাৱধানত শিক্ষাৰ্থীসকলে সঠিকভাৱে যোগাভ্যাস শিকাৰ সুযোগ পাইছে। এই কেন্দ্ৰটোৱে সুস্থ জীৱনধাৰণৰ অভ্যাস গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিছে।

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU)য়ে মহাবিদ্যালয়খনিক স্নাতক আৰু স্নাতকোত্তৰ পাঠদানৰ অধ্যয়ন কেন্দ্ৰ হিচাপে স্বীকৃতি দিছে আৰু লগতে বিশ্ববিদ্যালয়খনে এটি পৰীক্ষা কেন্দ্ৰও মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰিছে।**

## KKHSOU অধ্যয়ন তথা পৰীক্ষা কেন্দ্ৰ (Study and Examination Centre)

মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ আৰু লগতে পৰীক্ষা কেন্দ্ৰ সংযোজিত হৈছে য'ত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিৰ্বাচিত যিকোনো বিষয়ৰ পাঠ্যক্ৰম ল'ব পাৰিব। লগতে যিকোনো বয়সৰ যিকোনো ব্যক্তিয়ে কলা শাখাত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অনানুষ্ঠানিক শিক্ষাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

## শিক্ষামূলক ভ্ৰমণ (Excursion and Field Visits)

মহাবিদ্যালয়খনৰ শিক্ষকসকলৰ তত্বাৱধানত প্ৰায় প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণ কৰোৱা হয় ।

## শিক্ষক সদ-উপদেষ্টা (Mentor)

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিজন ছাত্ৰ-ছাত্ৰীক নিৰ্দিষ্ট তত্ত্বাৱধায়ক শিক্ষকৰ দ্বাৰা সূক্ষ্ম নিৰীক্ষণ তথা পৰামৰ্শৰ ব্যৱস্থা কৰা হৈছে।

## ছাত্ৰ একতা সভা (Students Union)

মহাবিদ্যালয়ৰ গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত ছাত্ৰ একতা সভাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক তথা সৰ্বাংগীণ বিকাশৰ দিশত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী সম্পন্ন কৰা হয়।

## প্ৰতিপালিত গাওঁ (Adopted Village)

মহাবিদ্যালয়ৰ দ্বাৰা 'গৰীয়া পথাৰ চাংমাই গাওঁ' খন বিগত ৫ বছৰৰ ধৰি প্ৰতিপালিত গাওঁ হিচাপে গ্ৰহণ কৰি মহাবিদ্যালয়ৰ তৰফৰ পৰা গাওঁখনৰ শৈক্ষিক, সামাজিক আদি দিশৰ উন্নয়নমূলক বিভিন্ন কাৰ্য্যসূচী হাতত লোৱা হৈছে।

## বঁটা (Awards)

বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰাৰ ব্যৱস্থা আছে।

প্ৰজ্ঞা বঁটা : বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰসহ উত্তীৰ্ণ হোৱা 'শ্ৰেষ্ঠ স্নাতক' ছাত্ৰ-ছাত্ৰীক কৃতী শিক্ষক স্বৰ্গীয় যোগেন্দ্ৰ নাথ শইকীয়াদেৱৰ পৰিয়ালৰ তৰফৰ পৰা এই বঁটা প্ৰতিবছৰে প্ৰদান কৰা হয়

জ্যোতি বঁটাঃ অসমীয়া বিভাগৰ তৰফৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত বিভাগীয়ভাৱে সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক 'জ্যোতি বঁটা'ৰে পুৰস্কৃত কৰা হয়।

ৰাজনীতি বিজ্ঞান বিভাগৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত বিভাগীয় ছাত্ৰ- ছাত্ৰীক পুৰস্কৃত কৰা হয়।

সমাজতত্ত্ব বিভাগৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত বিভাগীয় ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়।

শিক্ষাতত্ত্ব বিভাগৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত বিভাগীয় ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়।

কেন্দ্ৰীয় পুঠিভঁৰালৰ তৰফৰ পৰা প্ৰত্যেকবছৰে এজন "শ্ৰেষ্ঠ পঢ়োৱৈ" নিৰ্বাচিত কৰি পুৰস্কৃত কৰা হ'য়।

## নামভৰ্ত্তি প্ৰক্ৰিয়া (Admission Process)

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC) আৰু তাৰ সমপৰ্য্যায়ৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো শিক্ষানুষ্ঠানৰ পৰা 10+2 উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক কলা শাখাত অধ্যয়নৰ বাবে নামভৰ্ত্তি কৰিব পাৰিব। নামভৰ্ত্তিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী নিয়ম অনুযায়ী সা-সুবিধা লাভ কৰিব।**

## পাঠ্যক্ৰমসমূহ (Courses)

NEP-2020ৰ অনুসৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ কলা শাখাৰ 4 বছৰীয়া স্নাতক পাঠ্যক্ৰম এইবাৰৰ পৰা প্ৰৱৰ্তন কৰা হৈছে। পূৰ্বৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে লগতে CBCS পদ্ধতিৰে 3 বছৰীয়া স্নাতক পাঠ্যক্ৰম অব্যাহত থাকিব। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ উন্নয়নৰ উদ্দেশ্যেৰে Certificate courseৰ ব্যৱস্থা আছে।

Major/Minor/Honours Subjects: মহাবিদ্যালয়খনে নিম্ন উল্লেখিত Major/Minor/ Honours পাঠ্যক্ৰমসমূহ আগবঢ়ায়-

| বিষয় | আসনৰ সংখ্যা |
|---|---|
| Assamese অসমীয়া | 55 |
| English ইংৰাজী | 20 |
| Education শিক্ষাতত্ত্ব | 35 |
| Political Science ৰাজনীতি বিজ্ঞান | 40 |
| Sociology সমাজতত্ত্ব | 50 |
| History ইতিহাস | 35 |
| Economics অৰ্থনীতি বিজ্ঞান | 15 |
| সৰ্বমুঠ আসনৰ সংখ্যা | 250 |

Reservation List : অসম চৰকাৰৰ নিয়ম অনুযায়ী তলত দিয়া ধৰণেৰে আসন সংৰক্ষণ কৰা হ'ব। সংৰক্ষণৰ ব্যৱস্থা প্ৰত্যেক বিভাগৰ ক্ষেত্ৰত একেধৰণেৰে প্ৰযোজ্য হ'ব।

| Category | Reservation |
|---|---|
| General | 48% |
| OBC/MOBC | 27% |
| SC | 7% |
| ST (P) | 10% |
| ST (H) | 5% |
| Differently Abled | 3% |
| Total | 100% |

## Wall Magazines



College Wall Magazine



History Dept.



Sociology Dept.



Education Dept.



English Dept.



Assamese Dept.



Pol. Science Dept.



Economics Dept.

## Course Structure

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০২৩-২৪ বৰ্ষৰ পৰা NEP-2020 আধাৰত Four Year Undergraduate Programme (চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম FYUGP) আৰম্ভ কৰিছে। এই পদ্ধতিত UG Certificate (এবছৰীয়া), UG Diploma (দুবছৰীয়া), Three Year UG Degree, Four Year UG Degree (Honours) আৰু Four Year UG Degree (Honours with Research) পাঠ্যক্ৰম উপলব্ধ হৈছে। Multi-Disciplinary পাঠ্যক্ৰম প্ৰণয়নেৰে ছাত্ৰ-ছাত্ৰীসকলৰ কলাসুলভ, সৃষ্টিশীল আৰু বিশ্লেষণাত্মক গুণৰ উৎকৰ্ষ সাধি বিভিন্ন কৌশল আৰু মূল্যবোধৰ বিকাশ সাধন কৰাৰ লক্ষ্য ৰখা হৈছে। ইয়াৰ মাধ্যমেৰে পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীকেন্দ্ৰীক আৰু Multiple Entry & Exit ব্যৱস্থাযুক্ত কৰাৰ প্ৰয়াস কৰা হৈছে যাতে ছাত্ৰছাত্ৰীয়ে নিজৰ পছন্দৰ বিষয় আৰু গতি অনুসৰি নিজৰ কেৰিয়াৰ আগবঢ়াই নিব পাৰে।**

| Sl No | Category of the course | Course |
|---|---|---|
| 1 | **Major Discipline**: Major discipline provides the opportunity for a student to pursue in-depth study of a particular subject or discipline | Major discipline (Core) |
| 2 | **Minor discipline**: Students who take a sufficient number of courses in a discipline or an interdisciplinary area of study other than the chosen major will qualify for a minor in that discipline | Minor discipline |
| 3 | **Multi- Disciplinary Generic Elective**: All UG students are required to undergo 3 introductory level courses relating to any of the broad disciplines. These courses are intended to broaden the intellectual experiences and form part of liberal arts and science education. However, students shall not be allowed to choose or repeat any of these courses already undergone at the Higher Secondary level (12th class) and the discipline which he/she has chosen as Major. | Multi- Disciplinary Generic Elective-Natural Sciences |
| | | Multi-Disciplinary Generic Elective-Social Sciences |
| | | Multi-Disciplinary Generic Elective-Humanitites |
| 4 | **Ability Enhancement Courses:** These courses aim to enabling the students to acquire and demonstrate the core linguistic skills, including critical reading and expository and academic writing skills. | Language (MIL) |
| | | Language & Communication Skills (English) |
| 5 | **Value Added Courses**: The courses aim to enable the students to acquire and demonstrate certain values. | ● Understanding India<br>● Health and Wellness |
| | | ● Yoga<br>● Environmental Studies |
| 6 | **Skill Enhancement Course (SEC): The course aims to develop specific skills enabling employability.** | SEC subject to be selected from a prescribed pool. |

# FACULTY MEMBERS

## Department of Assamese



Ratul Boruah, MA (HoD)
6003103259
Vice-Principal (Ac) & Asst.Prof.



Aditi Dutta, MA, NET
7638840625
Asst. Professor



Dr. Sunmoni Baruah
MA, NET, PhD. 9954942802
Asst. Professor



Mamoni Saikia
MA-Double, NET 8638748197
Asst. Professor

## Department of English



Dipanjali Bhuyan Borah
MA, MPhil 9954484132
Vice-Principal(Adm) & Asst.Prof



Pradip Changmai, MA
7399618883
Asst. Professor



Pramathesh Deka
MA, NET 7002625312
Asst. Professor & HoD

## Department of Education



Dr. Debojit Borah
MA, MPhil, BEd, NET, PhD
9954965810
Asst. Professor



Rajib Boruah
MA, NET, SLET
7002472088
Asst. Professor & HoD



Nabanita Borah
MA, MPhil 9101012946
Asst. Professor

## Department of History



Raktim Raj Khonikar
MA, MPhil. 6001742190
Asst. Professor & HoD



Partha Protim Borah
MA,MPhil,SLET 9365691448
Asst. Professor



Barbi Gogoi, MA
60029 62261
Guest Faculty

## Department of Economics



Dr. Ranjit Kr. Gam
MSc, PhD.
Principal & Associate Prof.



Ajit Boruah, MA
9678901775
Asst. Professor & HoD

## Department of Political Science

| | | |
|---|---|---|
|  |  |  |
| Abhijit Buragohain<br>MA 9435767246 | Jyoti Moni Gogoi<br>MA, MPhil, SLET<br>6000749417 | Sangita Phukon<br>MA, MPhil, SLET (HoD)<br>9365528127 |



Bhaiti Gam, MCA
9707212121
Guest Faculty
Computers

## Department of Sociology

| | | |
|---|---|---|
|  |  |  |
| Bodan Ch. Borah<br>MA, MPhil, NET (HoD)<br>9101912089 | Arun Borah<br>MA,MPhil 8822016892 | Sanjib Kr. Dutta<br>MA, BEd, MPhil, NET<br>6000686889 |

## Non-Teaching Office Staff

| | | | |
|---|---|---|---|
|  |  |  |  |
| Ila Prava Khonikar<br>M.Lib.Sc. 9508413317<br>(Librarian) | Jitamoni Borah<br>9957390057<br>(Library Assistant) | Purnima Hazarika<br>7002124696<br>(Office Assistant) | Gogon Boruah<br>9854835944<br>(LDA) |

## Non-Teaching Staff

| | | | | |
|---|---|---|---|---|
|  |  |  |  |  |
| Abon Arandhara<br>(Grade IV)<br>9957089928 | Pankaj Gogoi<br>(Grade IV)<br>9864395115 | Arupjyoti Hazarika<br>(Grade IV)<br>6003682834 | Mrinali Devi<br>(Grade IV)<br>6002287504 | Ritamoni Makumuria<br>(Grade IV)<br>9365592068 |

# মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী






























# মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী

## NSS গোটৰ দ্বাৰা বিভিন্ন কাৰ্যসূচী















## ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন



















## উদ্যমিতা বিকাশ কোষৰ বিভিন্ন কাৰ্যসূচী





# ঘনকান্ত বৰা মহাবিদ্যালয়, তামুলীছিগা

তামুলীছিগা, যোৰহাট, অসম ৭৮৫৬৮২

**NAACৰ প্ৰথম পৰ্যায়ৰ মূল্যায়নত 'গ্ৰেড B' প্ৰাপ্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ, UGC Act ৰ 2(f) ৰে স্বীকৃতিপ্ৰাপ্ত, প্ৰাদেশিকৃত শিক্ষানুষ্ঠান**

২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত **১০০ শতাংশ উত্তীৰ্ণ** ৰে বিশ্ববিদ্যালয়ৰ ভিতৰত মহাবিদ্যালয়খনক জিলিকাই তোলোৱা মহাবিদ্যালয়ৰ সদ্য স্নাতক সমূহ ছাত্ৰ-ছাত্ৰীলৈ জনাইছোঁ আন্তৰিক অভিনন্দন —

## তোমালোকৰ সফলতাত আমি অতিশয় সুখী আৰু গৌৰৱান্বিত।


ৰিদিক্ষা গগৈ
অসমীয়া (১২ সংখ্যক স্থান)


প্ৰাৱিতা বৰুৱা
সমাজতত্ব (২৭ সংখ্যক স্থান)


অপৰাজিতা দত্ত
শিক্ষাতত্ব (৪০ সংখ্যক স্থান)


বৰ্ণালী ফুকন
বুৰঞ্জী (৪৪ সংখ্যক স্থান)


অংকিতা শইকীয়া
বুৰঞ্জী (৪৫ সংখ্যক স্থান)


নমিতা চাৰিঙীয়া
ৰাজনীতি বিজ্ঞান (৪৯ সংখ্যক স্থান)



টুটুমণি গগৈ
ৰাজনীতি বিজ্ঞান (৫১সংখ্যক স্থান)


পৰিস্মিতা শইকীয়া
শিক্ষাতত্ব (৮৯ সংখ্যক স্থান)


শিৱানী গগৈ
শিক্ষাতত্ব (৭৭ সংখ্যক স্থান)



ময়ূৰাক্ষী দেৱী
সমাজতত্ব (৮২ সংখ্যক স্থান)


লিপি দত্ত
ৰাজনীতি বিজ্ঞান (৮৯ সংখ্যক )


ডেইজী গগৈ
অসমীয়া(১৪০ সংখ্যক)


জাহ্নৱী গগৈ
অসমীয়া (১০৩ সংখ্যক)


লাকী গায়ন
অসমীয়া (১৩৩ সংখ্যক)


ৰাস্মা আৰন্ধৰা
অসমীয়া (১১৭ সংখ্যক)


গীতালী দেৱী
অসমীয়া (১১৬সংখ্যক)


ৰীমা গগৈ
অসমীয়া (১৩৮ সংখ্যক )


পিংকী গগৈ
সমাজতত্ব (১৪২ সংখ্যক)


নিলাক্ষী গগৈ
সমাজতত্ব (১৪৯ সংখ্যক)


কৃষ্ণা বৰা
শিক্ষাতত্ব (১২৬ সংখ্যক )


প্ৰিয়া শইকীয়া
শিক্ষাতত্ব (১২৮ সংখ্যক)


কৃষ্ণা বৰা
শিক্ষাতত্ব (১৪০ সংখ্যক )

Prospectus designed by Pramathesh Deka